# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date : 27-08-2025**
**Time :** 1205 Hrs

***Assamese Midday Bulletin***
**----------------------------**

০০০০০০

গৃহমন্ত্ৰী অমিত শ্বাহৰ সমাগত অসম ভ্ৰমণৰ পৰিপ্ৰেক্ষিতত বিশেষ প্ৰস্তুতি চলোৱা হৈছে। গৃহমন্ত্ৰীগৰাকীয়ে পৰহিলৈ গুৱাহাটীৰ খানাপাৰাত  ৰাজ্যৰ ২০ হাজাৰ পঞ্চায়ত প্ৰতিনিধিৰ অংশগ্ৰহণেৰে  এখন পঞ্চায়ত সন্মিলনত ভাগ ল'ব বুলি ৰাজ্যিক বিজেপিয়ে প্ৰকাশ কৰিছে। এই সন্মিলনত বিজেপিৰ ১৬ হাজাৰ ৬৭১ গৰাকী পঞ্চায়ত প্ৰতিনিধিৰ লগতে অগপৰ ১৫ শৰো অধিক প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰিব। তদুপৰি কাৰ্বি স্বায়ত্তশাসিত পৰিষদ, ডিমা হাচাও স্বায়ত্তশাসিত পৰিষদকে ধৰি সকলো স্বায়ত্তশাসিত পৰিষদৰ প্ৰতিনিধিয়ে এই সন্মিলনত অংশগ্ৰহণ কৰিব। অৱশ্যে বিটিচি নিৰ্বাচনৰ বাবে বিটিআৰৰ কোনো প্ৰতিনিধিয়ে এই সন্মিলনত অংশগ্ৰহণ নকৰে। পঞ্চায়ত প্ৰতিনিধি সন্মিলনৰ জৰিয়তে গৃহমন্ত্ৰীগৰাকীয়ে ৰাজ্যত সমাগত বিধানসভা নিৰ্বাচনৰ ৰণডংকা বজাব বুলি ৰাজ্যিক বিজেপিয়ে সদৰি কৰিছে।

০০০০০০০

দেশৰ অন্যান্য প্ৰান্তৰ লগতে অসমতো আজি ধৰ্মীয় ৰীতি-নীতি আৰু উৎসাহ-উদ্দীপনাৰে সিদ্ধিদাতা, বিঘিনি নাশক গণেশ দেৱতাৰ পূজা-অৰ্চনা কৰা হৈছে। এই উপলক্ষে আজি গুৱাহাটী মহানগৰীৰ লগতে ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ গণেশ মন্দিৰসমূহত পুৱাৰে অগণন ভক্তৰ সমাগম পৰিলক্ষিত হয়। গুৱাহাটী মহানগৰীৰ গণেশগুৰি, লতাশিল, নিউ গুৱাহাটী, পাঞ্জাবাৰী আৰু বীৰকুচিৰ গণেশ মন্দিৰত পুৱাৰে পৰা সিদ্ধিদাতাৰ পূজা-অৰ্চনাৰ বাবে ভক্তৰ দীঘলীয়া শাৰী পৰিলক্ষিত হয়। ফটাশিল জি এম চি নিউ কলনীত ড° বি আৰ আম্বেডকাৰ আৰু তেলেগু এছ'চিয়েচন অসমে গণেশ চতুৰ্থী উপলক্ষে ৪১ ফুট উচ্চতাৰ গণেশৰ এটা বৃহৎ মৃন্ময় মূৰ্তি সাজি উলিয়াইছে। গুৱাহাটীৰ পশ্চিম প্ৰান্তৰ শ্ৰীশ্ৰীলংকেশ্বৰ ধামৰ নামনিত থকা গণেশ মন্দিৰতো গণেশ চতুৰ্থীৰ আয়োজন কৰা হৈছে।

শিৱসাগৰতো আজি পৰম্পৰাগত ৰীতি-নীতিৰে গণেশ পূজা পালন কৰা হৈছে। জিলাখনৰ বাবুপট্টিৰ সাৰ্বজনীন পূজা কমিটীৰ উদ্যোগত কালিৰেপৰা দুদিনীয়াকৈ আয়োজন কৰা শিৱৰ আৰ্হিৰ মুখাৰে নিৰ্মাণ কৰা গণেশ পূজা মণ্ডপ চাবলৈ যথেষ্ট লোকৰ সমাগম পৰিলক্ষিত হৈছে।

০০০০০০০

নগাঁও জিলাৰ ধিং ৰাজহ চক্ৰৰ অন্তৰ্গত বটদ্ৰৱা আৰু আলিটাঙনি মৌজাৰ চৰকাৰী ভূমিত অবৈধভাৱে বসবাস কৰা লোকসকলৰ বিৰুদ্ধে আজি উচ্ছেদ অভিযান চলোৱা হৈছে। উচ্ছেদৰ বাবে প্ৰশাসন আৰু আৰক্ষীয়ে সকলো ব্যৱস্থা গ্ৰহণ কৰিছে। নগাঁও, হোজাই, কাৰ্বি আংলং আৰু গোলাঘাটৰ পৰা ৪১৩ জন জোৱান মোতায়েন কৰা হৈছে।

গোলাঘাট জিলাৰ উৰিয়ামঘাটৰ ৰেংমা সংৰক্ষিত বনাঞ্চলত কালি তৃতীয় পৰ্যায়ৰ উচ্ছেদ অভিযান সফলতাৰে সম্পন্ন হয়।

ইপিনে, গোলাঘাট জিলাৰ মেৰাপানীৰ অসম-নাগালেণ্ড সীমান্তত নাগালেণ্ডৰ ১১ খন গাঁৱৰ গাঁওপ্ৰধানে আন্তঃৰাজ্যিক পাৰপত্ৰ অৰ্থাৎ আই এল পি অথবা ভিলেইজ কাউন্সিলৰ অনুমতি অবিহনে কোনো অসমীয়া লোকে নাগালেণ্ডত প্ৰৱেশ কৰিব নোৱাৰিব বুলি জাননী জাৰি কৰিছে। এই জাননী অনুসৰি নাগালেণ্ডত অসমৰ লোকৰ প্ৰৱেশৰ ক্ষেত্ৰত ৯ টা নিয়ম জাৰি কৰা হৈছে। এই নিয়মসমূহ মানুহৰ লগতে পোহনীয়া জীৱ-জন্তুৰ ক্ষেত্ৰতো প্ৰযোজ্য হ'ব বুলি সকিয়াই দিয়া হৈছে। কোনো লোকে এই নিয়ম উলংঘা কৰিলে ৫০ হাজাৰ টকাৰ জৰিমনাৰ লগতে বিধিগত শাস্তি বিহা হ'ব বুলি জাননীত উল্লেখ কৰা হৈছে। অহা এক ছেপ্তেম্বৰৰ পৰা এই নিয়ম কাৰ্যকৰী হ'ব বুলি উল্লেখ কৰা হৈছে।

০০০০০

বি টি চি নিৰ্বাচনৰ মনোনয়ন পত্ৰ সংগ্ৰহ প্ৰক্ৰিয়া আজি আৰম্ভ হৈছে। অসম ৰাজ্যিক নিৰ্বাচন আয়োগে কালি জাৰি কৰা নিৰ্দেশ অনুসৰি প্ৰাৰ্থীসকলে আজি দিনৰ ১১ বজাৰপৰা মনোনয়নপত্ৰসমূহ সংগ্ৰহ কৰিছে। মনোনয়ন দাখিলৰ বাবে অহা ২ ছেপ্তেম্বৰ অন্তিম দিন ধাৰ্য কৰা হৈছে। ৪ ছেপ্তেম্বৰত প্ৰাৰ্থীৰ মনোনয়ন পত্ৰসমূহ পৰীক্ষা কৰি বৈধ প্ৰাৰ্থীৰ তালিকা প্ৰকাশ কৰা হ'ব। ৬ ছেপ্তেম্বৰত প্ৰাৰ্থীৰ মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ অন্তিম দিন ধাৰ্য কৰা হৈছে। অহা ২২ ছেপ্তেম্বৰত ভোটগ্ৰহণ অনুষ্ঠিত হ'ব আৰু ২৬ ছেপ্তেম্বৰত ভোটগণনা কৰা হ'ব।

বিটিচি নিৰ্বাচন তথা মনোনয়ন পত্ৰ দাখিল সন্দৰ্ভত জিলা আয়ুক্ত তথা ৰিটাৰ্নিং বিষয়া পংকজ চক্ৰৱৰ্তীয়ে কালি এখন সংবাদমেলৰ আয়োজন কৰে।

০০০০০০০

নগাঁও জিলাৰ ধিং ৰাজহ চক্ৰৰ অন্তৰ্গত বটদ্ৰৱা আৰু আলিটাঙনি মৌজাৰ চৰকাৰী ভূমিত অবৈধভাৱে বসবাস কৰা লোকসকলৰ বিৰুদ্ধে আজি উচ্ছেদ অভিযান চলোৱা হৈছে। উচ্ছেদৰ বাবে প্ৰশাসন আৰু আৰক্ষীয়ে সকলো ব্যৱস্থা গ্ৰহণ কৰিছে। নগাঁও, হোজাই, কাৰ্বি আংলং আৰু গোলাঘাটৰ পৰা ৪১৩ জন জোৱান মোতায়েন কৰা হৈছে।

গোলাঘাট জিলাৰ উৰিয়ামঘাটৰ ৰেংমা সংৰক্ষিত বনাঞ্চলত কালি তৃতীয় পৰ্যায়ৰ উচ্ছেদ অভিযান সফলতাৰে সম্পন্ন হয়।

ইপিনে, গোলাঘাট জিলাৰ মেৰাপানীৰ অসম-নাগালেণ্ড সীমান্তত নাগালেণ্ডৰ ১১ খন গাঁৱৰ গাঁওপ্ৰধানে আন্তঃৰাজ্যিক পাৰপত্ৰ অৰ্থাৎ আই এল পি অথবা ভিলেইজ কাউন্সিলৰ অনুমতি অবিহনে কোনো অসমীয়া লোকে নাগালেণ্ডত প্ৰৱেশ কৰিব নোৱাৰিব বুলি জাননী জাৰি কৰিছে। এই জাননী অনুসৰি নাগালেণ্ডত অসমৰ লোকৰ প্ৰৱেশৰ ক্ষেত্ৰত ৯ টা নিয়ম জাৰি কৰা হৈছে। এই নিয়মসমূহ মানুহৰ লগতে পোহনীয়া জীৱ-জন্তুৰ ক্ষেত্ৰতো প্ৰযোজ্য হ'ব বুলি সকিয়াই দিয়া হৈছে। কোনো লোকে এই নিয়ম উলংঘা কৰিলে ৫০ হাজাৰ টকাৰ জৰিমনাৰ লগতে বিধিগত শাস্তি বিহা হ'ব বুলি জাননীত উল্লেখ কৰা হৈছে। অহা এক ছেপ্তেম্বৰৰ পৰা এই নিয়ম কাৰ্যকৰী হ'ব বুলি উল্লেখ কৰা হৈছে।

০০০০০

স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰালয়ে ডিব্ৰুগড়ৰ বৰবাৰীস্থিত অসম চিকিৎসা মহাবিদ্যালয়ত বিৰল ৰোগৰ চিকিৎসাৰ সৰ্বোৎকৃষ্ট কেন্দ্ৰ হিচাপে স্বীকৃতি প্ৰদান কৰিছে। ঐতিহ্যমণ্ডিত অসম চিকিৎসা মহাবিদ্যালয়ত বিৰল ৰোগৰ চিকিৎসাৰ সৰ্বোৎকৃষ্ট কেন্দ্ৰৰূপে স্বীকৃতি প্ৰদান কৰাৰ ফলত চিকিৎসা মহাবিদ্যালয়খনে সমগ্ৰ দেশৰ চিকিৎসা ক্ষেত্ৰখনত নিজৰ নাম উজ্বলাই তুলিবলৈ সমৰ্থ হৈছে। অসম চিকিৎসা মহাবিদ্যালয় উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰথম আৰু দেশৰ ১৫ খন উৎকৃষ্ট কেন্দ্ৰৰ ভিতৰত এখন হিচাপে পৰিগণিত হোৱাৰ লগতে ই চিকিৎসা সেৱা আৰু গৱেষণাৰ ক্ষেত্ৰখনত নতুন মাত্ৰা প্ৰদান কৰিলে। এনে সাফল্যৰ বাবে চিকিৎসা মহাবিদ্যালয়খনৰ অধ্যক্ষ ডাঃ সঞ্জীৱ কাকতি, অধীক্ষক ডাঃ ধ্ৰুৰ্বজ্যোতি ভূঞাকে ধৰি সকলো অধ্যাপক-অধ্যাপিকাই আনন্দ প্ৰকাশ কৰিছে।

০০০০০০০

মণিপুৰত শেহতীয়াভাৱে ক'ভিড ৰোগত আক্ৰান্ত ৰোগীৰ সংখ্যা ৪ লৈ বৃদ্ধি পাইছে। ৰাজ্যখনত বিগত ২৪ ঘণ্টাত নতুনকৈ এগৰাকী লোক ক'ভিডত আক্ৰান্ত হোৱা বুলি জানিব পৰা গৈছে। মণিপুৰৰ স্বাস্থ্য সেৱা সঞ্চালকালয়ৰ তথ্য অনুসৰি বিগত ২৪ ঘণ্টাত তিনিগৰাকী ৰোগীৰ নমুনা পৰীক্ষা কৰাৰ অন্তত তাৰ ভিতৰত এগৰাকী ৰোগী এই ৰোগত আক্ৰান্ত হোৱাটো নিশ্চিত কৰা হয়।

০০০০০০০

**সমাপ্ত**